শীতকালত প্ৰতিবছৰেই এবাৰ যোৰহাটলৈ আহি সময় কটাইছিল বিশিষ্ট সাহিত্যিকগৰাকীয়ে। এইবাৰো শীতকালত যোৰহাটলৈ অহাৰ টিকত ক্ৰয় কৰি থৈছিল। তেওঁৰ পিতৃ উপাচাৰ্য ফণীধৰ দত্তৰ সোঁৱৰণত এটা ন্যাস গঠন কৰি জন্মস্থান তৰাজান গায়ন গাৱঁত শংকৰদেৱ শিশু নিকেতন নামৰ এখন বিদ্যালয় স্থাপন কৰিছিল। তদুপৰি চহৰখনৰ চোলাধৰাত জাতীয় বিদ্যালয়ৰ বাবে তিনি বিঘা দুকঠা মাটি দান কৰি এটা বৃহৎ ভৱনো নিৰ্মাণ কৰি দিছিল। এই ভূমি, গৃহ আদি পিতৃ ফণীধৰ দত্তৰ নামৰ উৎসৰ্গা কৰিছিল। পাছত জাতীয় বিদ্যালয়ে তেখেতৰ পিতৃ ফণীধৰ দত্ত আৰু বিদুষী মহিলা ৰত্নেশ্বৰী দত্তৰ নামত পৃথকে দুটি ভৱন নিৰ্মাণ কৰে।

সন্ধিয়া চাহ কাপ খাই কিবা এটা লিখোঁ বুলি টেবুলত বহোতেই ফোনটো বাজিল। মাৰ ফোন। ৰিচিভ কৰিলত মায়ে ক'লে— ‘খবৰ এটা পালিনে? দিলীপ দত্তচাৰ ঢুকাল নিউজত দি আছে।’ মই স্তব্ধ হৈ ৰলো। মাৰ লগত আৰু কথা পাতিব নোৱাৰিলোঁ। মায়ে বুজি পাই ফোনটো কাটি দিলে। কথাষাৰ বিশ্বাস কৰিবলৈ টান পাইছিলোঁ। তেখেতৰ ভাগিন বোৱাৰীলৈ ফোন কৰি খবৰ ল'লো। এনেকুৱা লাগিছিল যেন ছাৰৰ ওচৰলৈ ঢাপলিয়াই যাম। এবাৰ ছাৰক চাবলৈ পোৱা হ'লে। লগে লগে ছাৰৰ ঘনিষ্ঠ দুজন ছাৰক খবৰ দিলোঁ। ছাৰ যোৰহাটলৈ অহাৰ দিন হিচাপ কৰি আছিলোঁ। হঠাৎ খবৰটোৱে বৰ দুখ দিলে। ছাৰৰ বিষয়ে প্ৰথম মোৰ মাৰ মুখতেই শুনিছিলোঁ আৰু মৃত্যুৰ খবৰো মায়েই দিলে। কি আচৰিত? আৰু প্ৰথম ছাৰক মই লগ পাইছিলোঁ মোৰ মাৰ উপস্থিতিহে। ছাৰৰ গল গলিয়া মাতেৰে কোৱা কথাবোৰ আজিও কাণত বাজি থাকে। ২০০৫ চনৰ পৰাই ছাৰক লগ পাই আহিছোঁ। প্ৰথম লগ পাইছিলোঁ গুৱাহাটী অভিমুখী যাত্ৰাত আমনিত চাহ খাওঁতে। চাহ খাই থাকোঁতে মায়ে মোক কৈছিল ‘অ'ই সৰুৰ পৰা লগ পাবলৈ বিচাৰি থকা মানুহজন চা’ এক বুজাব নোৱাৰা আনন্দৰে ভৰি পৰিছিল মোৰ মন। তেতিয়াৰ পৰাই ছাৰৰ লগত ফোন যোগেই হওঁক বা ব্যক্তিগত ভাবেই হওঁক যোগাযোগ ৰাখিছিলোঁ। যোৰহাটলৈ আহিলে ছাৰৰ ঘৰলৈ গৈছিলোঁ। বিদ্যালয়ৰ ল'ৰা-ছোৱালীকেইটাৰ খবৰ ল'বলৈ নাপাহৰিছিল। সকলোৰে লগত মিলিব পৰা মাটিৰ মানুহ যেন স্বভাৱৰ আছিল। সংগীত, গণিত এইবোৰ লৈয়েই ব্যস্ত আছিল। ছাত্ৰ-ছাত্ৰীৰ লগত সময় কটাই বেছি ভাল পাইছিল। ২০১৪ চনত আমাৰ বিদ্যালয়ত যোৰহাটৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত এটি অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত কৰি সুখী হৈছিলোঁ। ইয়াৰ উপৰিও আমাৰ বিদ্যালয়ত নৱম আৰু দশম শ্ৰেণীত গণিতৰ পাঠদান কৰিছিল। মোৰ ‘গণিত অভিধান’খন প্ৰস্তুত কৰি উলিয়াওতে মোক যথেষ্ট সহায় কৰিছিল আৰু উৎসাহ, প্ৰেৰণা দিছিল। ২০১৭ চনত ‘শব্দ’ৰ উদ্যোগত বিষ্ণুৰাম বৰুৱা হ'লত হোৱা গ্ৰন্থমেলাৰ সামৰণি সভাৰ ভাষণত ভাষণ আগবঢ়াই থকাৰ মাজতে, তেখেতৰ বক্তব্যত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি গণিতৰ বিষয়ে কিছু কথা কৈ থকাৰ মাজত যেতিয়া মোৰ নাম লৈছিল মই থমকি ৰৈছিলোঁ আৰু আনন্দিত হৈছিলোঁ। ইমান এখন ডাঙৰ সভাত সকলোৰে সন্মুখত মোৰ নাম। বিশেষকৈ ছাৰৰ মুখত। এটা যেন ডাঙৰ আশীৰ্বাদ আছিল মোৰ বাবে সেইটো।

‘কাকলি কি খবৰ, ভালে আছা? মই যোৰহাট পালোঁহি দেই। তোমাৰ ল'ৰা-ছোৱালী হঁতৰ কি খবৰ, পঢ়া-শুনা কৰিছেনে, অংক কৰিছেনে? এইবাৰ সোনকালে আহিলোঁ দেই। বহুত দিন থাকিম। তুমি গণিতৰ কথা পাতিবলৈ বহুত সময় পাবা। সদায় কোৱা নহয় কথা বহুত থাকিয়েই গ'ল শুধিবলৈ হাঃ হাঃ। আহিবা তোমাৰ যেতিয়া সময় সুবিধা হয়। মই আছোঁ। ফোন এটা কৰি জনাবা কেতিয়া আহা।” হাঁহি হাঁহি গলগলীয়া মাতেৰে এনেকৈ ক'বলৈ মাতিবলৈ ছাৰ আৰু নাই। এনেকুৱা লাগে ছাৰে যেন নিজে জানিছিল আৰু ছাৰক নাপাম বুলি আৰু সেই কাৰণেই যেন সকলো কথা শুধিবলৈ আৰু পাতিবলৈ কৈছিল। যোৱা বছৰ ২০১৮ চনত যোৰহাট আহি ফোনত মোক কোৱা কথা এইষাৰ।

ছাৰৰ লগত কথা পাতোতে এটা এটাকৈ গণিতৰ ইটো সিটো পাতোতে দুঘণ্টা তিনিঘণ্টা সময় কেনেকৈ পাৰ হয় ক'বই নোৱাৰে। সহজ, সৰলভাৱে বুজাই দিয়ে সকলো। ছাৰৰ পৰা বহু কথা শিকিলো আৰু বহু থাকি গ'ল। ছাৰৰ মৃত্যুৰ খবৰ সঁচা বুলি গ্ৰহণ কৰিবলৈ বৰ কষ্ট পাওঁ মনটোত, কিন্তু গ্ৰহণ কৰিবই লাগিব। দিন, মাহ হিচাপ কৰি আছিলোঁ ছাৰ আহিব এইটো সুধিম, সেইটো সুধিম ছাৰৰ ওচৰলৈ যাম, কথা পাতিম....... নাই, ছাৰ আৰু নাই। ছাৰ য'তেই আছে কুশলে থাকক। ছাৰৰ আত্মাই শান্তি লাভ কৰক।

কাকলি বৰঠাকুৰ যোৰহাটৰ তৰাজান হাই স্কুলৰ গণিতৰ শিক্ষয়িত্ৰী আৰু
অসম গণিত শিক্ষায়তনৰ যোৰহাট শাখাৰ সম্পাদিকা।

["শিক্ষাদানৰ বিষয়ে এটা কথাত আজিৰ বিশেষজ্ঞ সকলৰ দুটা দল আছে। এটা দলে ভাবে যে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ পাঠৰ সহায়েৰে আমোদ দিব পাৰিব লাগে। শিক্ষকসকলে নানা উপায়েৰে ছাত্ৰ-ছাত্ৰীসকলক আমোদ লগাই থাকিব পাৰিলেহে ছাত্ৰ-ছাত্ৰীসকলে স্কুললৈ আহিবলৈ ভাল পায় আৰু পঢ়াশুনা কৰি আনন্দ লাভ কৰে। এই চিন্তাধাৰাৰ প্ৰভাৱতে আজিৰ পাঠ্যপুথিবিলাক ৰংচঙীয়া হৈছে। পাঠ্যপুথিত ৰস লগোৱা কমিক্ ছবিৰ বিশদ ব্যৱহাৰ কৰা হৈছে আৰু আন উপায়েৰে আমোদজনক কৰিবলৈ চেষ্টা কৰা হৈছে। এইসকলৰ মতে শিক্ষকে গীত গাই, নাচিবাগি, ভেঙুচালি কৰি বা হাঁহি উঠা গল্প কৈ আমোদ দিব পাৰিলেহে বৰ ভাল কথা।

আনটো দলৰ মতে শিক্ষাদান বৰ গহীন কথা। শিক্ষকসকলে পাঠদান কৰোঁতে ছাত্ৰ-ছাত্ৰীসকলক আমোদ দিবলৈ চেষ্টা কৰিলে, সেই পাঠ, সেই শিক্ষাক পাতল কৰাহে হয়। তাতে জ্ঞান অৰ্জন কৰিবলৈ হ'লে যে কঠোৰ পৰিশ্ৰম কৰিব লাগে সেই সত্যটোক আমোদৰ যোগেদি বুজাব নোৱাৰি।

আমিও অৱশ্যে দ্বিতীয় দলৰ মতহে বেছি সমৰ্থন কৰোঁ। শিক্ষকসকলে পঢ়াশুনা কৰাটো আৰু জ্ঞান লাভ কৰাটোৰেই যে চৰম আমোদ আৰু আনন্দৰ কথা সেইটো ছাত্ৰ-ছাত্ৰীসকলক পতিয়ন নিয়াবলৈ চেষ্টা কৰিব লাগে। এজন আমোদ শিল্পীৰ দৰে আন প্ৰকাৰে ছাত্ৰ-ছাত্ৰীক আমোদ দিবলৈ শিক্ষকসকলে চেষ্টা কৰাটো বৃথা। বিশেষকৈ আজিৰ যুগত, আজিৰ চিনেমা আৰু টেলিভিছনৰ যুগত ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া নানা ধৰণৰ আমোদশিল্পী আৰু আমোদ কৌশল সদায় উপভোগ কৰিবলৈ পায় সেই যুগত এজন শিক্ষকে আমোদশিল্পীৰ দৰে ছাত্ৰ-ছাত্ৰীসকলক আমোদ দিবলৈ চেষ্টা কৰিলে হয়তো হাঁহিয়াতৰ পাত্ৰহে হ'ব।"

ড° দিলীপ দত্ত প্ৰণীত "মোৰ শিক্ষা আৰু মোৰ শিক্ষক" গ্ৰন্থৰপৰা উদ্ধৃত]

চেমনিয়াৰ শিতান

সকলোৰে বাবে গণিত

ডিম্পী কলিতা

আৰম্ভণি ঃ দৈনন্দিন জীৱনত আমি আমাৰ অলক্ষিতে গণিতৰ ব্যৱহাৰ প্ৰচুৰ পৰিমাণে কৰি আহিছোঁ। সঁচা কথা ক'বলৈ গ'লে আমি ককা, আজো ককাৰ দিনৰে পৰাই প্ৰায়োগিক গণিতৰ ব্যৱহাৰ কৰি আহিছোঁ। বিজ্ঞানৰ ৰাণী গণিত কিছু লোকৰ বাবে উপহাৰ আৰু কিছু লোকৰ বাবে পথিকৃৎ হয়। গণিতে তাহানিৰ সভ্যতাৰপৰা বৰ্তমানলৈকে মানুহৰ জীৱন পৰিচালনা তথা সহজ কৰিছে। ইও আমাৰ সংস্কৃতিৰ এক সংগী স্বৰূপ হৈ পৰিছে। গণিত যেন এক বান্ধি থোৱা সূতাহে। সেই সূতা হ'ল বিভিন্ন যুক্তিগত ক্ষমতা অৰ্থাৎ বিভিন্ন যুক্তিৰে মানুহৰ মনত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছে। গণিতে মানুহৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক সকলো দিশকে সামৰি লৈছে। সেয়েহে কোৱা হৈছে "সকলোৰে বাবে গণিত।"

গণিতৰ সংজ্ঞা ঃ গণিত শব্দটো গ্ৰীক শব্দ 'Mathematics' শব্দৰ পৰা আহিছে। ইয়াৰ অৰ্থ "জ্ঞান তথা প্ৰজ্ঞান"। বিভিন্ন জনে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। যেনে অংকৰ গণনা কৰাকে গণিত বোলে। বিভিন্ন স্থান, প্ৰস্থান, পৰিৱৰ্তন আদি সাপেক্ষে লোৱা সাংখ্যিক মানক গণিত বোলে। ব্যৱহাৰিক গণিত বা যুক্তিগত মান ব্যৱহাৰৰ ক্ষেত্ৰতো ব্যৱহৃত হয়। গণিত বাস্তৱ জীৱনত বিমূৰ্ত নহয় আৰু সেয়েহে আমাৰ বাবে ইয়াৰ বহুল ব্যৱহাৰ সম্ভৱ হৈছে।

Aristotle ৰ মতে Mathematics is the science of quantity, গণিত বিজ্ঞানৰ বহুতো সূত্ৰত ব্যৱহৃত হয়। সেয়েহে গণিতক "বিজ্ঞানৰ সূত্ৰ তথা ভাষা" "বিশ্বৰ ভাষা" আৰু "সমগ্ৰ বিজ্ঞানৰ ৰাণী" বুলি অভিহিত কৰা হয়।

সংখ্যাত্মক গণিতক ব্যৱহাৰ কৰাই গণিতৰ মূল লক্ষ্য নহয়। বিভিন্ন গণিতজ্ঞই বুজাইছে যে গণিতৰ যুক্তিসন্মত ব্যৱহাৰেই হ'ল ইয়াৰ মূল। গণিতে মানুহৰ মনৰ ভাব বৃদ্ধি কৰে, আত্মনিৰ্ভৰশীলতা প্ৰদান কৰে, নিৰ্ভৰতাৰে এটা সংকল্প ল'ব পাৰে আৰু বিভিন্ন ক্ষেত্ৰত আগৰণুৱা হ'ব পাৰে।

বিভিন্ন ক্ষেত্ৰত গণিতৰ ব্যৱহাৰ ঃ

ঐতিহাসিক দিশ ঃ সিন্ধু উপত্যকাৰ তথা মেছ'পটেমিয়া বাসীয়ে পোন প্ৰথমে যেতিয়া ৰাস্তা-ঘাট বান্ধিছিল, তেতিয়াই বিভিন্ন ত্ৰিকোণ জাতীয় ইটা ব্যৱহাৰ কৰিছিল, আৰু সকলোতে গণনা প্ৰয়োগ কৰিছিল। ঠিক একেদৰেই বুৰঞ্জী প্ৰসিদ্ধ বিভিন্ন চন তাৰিখ আদিত অংকই ব্যৱহাৰ হয়।

অৰ্থনৈতিক দিশ ঃ বৰ্তমান বিভিন্ন বেপাৰ-বাণিজ্যৰ হিচাপ ৰখা বিভিন্ন বজাৰ-সমাৰৰ হিচাপ ৰখাৰ ক্ষেত্ৰতো অংকৰ ব্যৱহাৰ হয়।ব্দ

ৰাজনৈতিক দিশ ঃ দেশ এখনৰ মুঠ জনসংখ্যাৰ হিচাপ ৰখা, বিভিন্ন সমস্যাৰ সমাধানৰ বাবে টকা পইচাৰ হিচাপ ৰখাৰ ক্ষেত্ৰত অংকই প্ৰাধান্য লাভ কৰি আহিছে।

দৈনন্দিন জীৱনত গণিতৰ ব্যৱহাৰ ঃ ৰাতিপুৱা শুই উঠাৰপৰা আৰম্ভ কৰি ৰাতি শুৱালৈকে গণিতৰেই ব্যৱহাৰ কৰি আহিছোঁ।

ৰাতিপুৱা শুই উঠিয়েই চোৱা ঘড়ীটোত গণিতৰে ব্যৱহাৰ হৈছে। তাৰ পিছত মুখ-হাত ধোওঁতে কিমান পৰিমাণৰ পানীৰ প্ৰয়োজন তাতেও গণিতৰেই ব্যৱহাৰ। চাহ বনাওতে কিমান চামুচ চেনি, চাহপাত লগা, কাপোৰৰ জোখ, বিদ্যালয়লৈ যাওঁতে কিমান সময় লাগিল ইত্যাদি সকলোতে গণিত। সেয়েহে গণিতৰ মহত্ব সৰ্বত্ৰ বিৰাজমান।

অন্যান্য দিশ ঃ কৃষিয়েই কৃষকৰ জীৱন। এই কৃষিকাৰ্যত ব্যৱহৃত এবিধ সঁজুলি হ'ল নাঙল, যি আমাৰ সকলোৰে পৰিচিত। এই নাঙলটোত ত্ৰিকোণমিতিৰ প্ৰয়োগ হৈছে। বাৰিষাকালত যেতিয়া বোকা হয় তেতিয়া নাঙলৰ ফালটো ৪ (চাৰি) আঙুলি বঢ়াই লোৱা হয় আৰু ইয়াক 'সেউ' বুলি কয়। খৰালি যেতিয়া শুকান হয় তেতিয়া খেতিৰ বাবে বৰ অসুবিধা হয়, সেয়েহে ৪ (চাৰি) আঙুলিৰপৰা ২ (দুই) আঙুলি কমাই দিয়া হয় আৰু ইয়াক 'উড' বুলি কোৱা হয়।

খেতিৰ বাবে ব্যৱহৃত আন এবিধ সঁজুলি হ'ল কোৰ। এই কোৰৰ নালডালত কোৰ খন লগাওঁতে ৬০ ডিগ্ৰী কোণ কৰি লগোৱা হয় তেতিয়া বন চিকুনাবলৈ সহজ হয়।

যেতিয়া পথাৰত কঠিয়া ৰোৱা হয়, তেতিয়া কঠিয়াবোৰৰ দূৰত্ব জুখি চাইহে ৰোৱা হয়। অৰ্থাৎ কৃষিক্ষেত্ৰতো গণিতৰ বহুল ব্যৱহাৰ হয়।

বিহু অসমীয়াৰ বুকুৰ কুটুম। বিহুৰ বতৰত প্ৰত্যেক অসমীয়াৰ ঘৰে ঘৰে ঢেঁকীৰ শব্দৰ খলকনি শুনিবলৈ পোৱা যায়। কিন্তু জানিবলৈ পাই আঁচৰিত হওঁ যে এই ঢেঁকী শালতো গণিতৰেই প্ৰয়োগ হৈছে। এই ঢেঁকীশালখন বহুল অংশত ৯০ ডিগ্ৰী কোণ কৰি থাকে আৰু শলাডালে ১৮০ ডিগ্ৰী কোণ কৰি থাকে।

মহামানৱ মহাত্মা গান্ধীয়েও অসমীয়া শিপিনীৰ গুণ গাইছিল, তেওঁলোকৰ তাঁত-বোৱাৰ কাৰিকৰী বিদ্যা দেখি। অৰ্থাৎ তাঁতশালখন অসমীয়া শিপিনীসকলৰ বুকুৰ আপোন। এই তাঁতশালখনো এক গণিতৰ মহাসাগৰ। তাঁতৰ চাৰিটা খুঁটা আয়তাকৃতিৰ হয় আৰু মাৰিৰে বান্ধি লোৱা হয় এই মাৰিকেইডালক 'সাঁকোঁমাৰি' বোলে। ই তাঁতশালৰ লগত ৬০ ডিগ্ৰী কোণ কৰি থকা দেখা যায়। সূতা কাটিবলৈ ব্যৱহাৰ কৰা যঁতৰ তাতেওঁ গণিত ব্যৱহৃত হয়।

ঘৰ সজাৰ বাবে বিভিন্ন আচবাব আয়তাকৃতি, নে বৰ্গাকৃতিৰ হ'ব এইবোৰৰ জোখ লোৱাৰ পৰা ঘৰৰ দৰ্জা, খিৰিকীৰ ফ্ৰেমবোৰ, ইটোৰ লগত সিটোৱে ৯০ কোণ কৰি থকা দেখা যায়। গৰু-ছাগলী বন্ধা পঘাডাল, মাছ মাৰিবলৈ ব্যৱহাৰ কৰা জালখন, ঊণ গাঁথিবলৈ ব্যৱহাৰ কৰা সূতা, গৃহিনীসকলে ব্যঞ্জন ৰান্ধোতে ব্যৱহাৰ কৰা কেঁচামাল যেনে চেনি, চাহপাত, নিমখ, হালধি, মছলা আদি উপাদানসমূহ ব্যৱহাৰৰ ক্ষেত্ৰতো গণিতেই ব্যৱহাৰ হয়।

আধ্যাত্মিক ক্ষেত্ৰত ক'বলৈ গ'লে বিভিন্ন বেদ-বেদান্ততো গণিতৰ ব্যৱহাৰ পৰিলক্ষিত হৈছে যেনে যেতিয়া হনুমানে সূৰ্যক ভক্ষণ কৰিবলৈ উৰা মাৰিছিল তেতিয়া শত যোজন অতিক্ৰম কৰাৰ কথা উল্লেখ আছে। অৰ্থাৎ গণিতৰ ব্যৱহাৰ পৰিলক্ষিত হৈছে।

আমাৰ বৰ্তমান যুগত বিভিন্ন উপগ্ৰহ মহাকাশলৈ পঠিওৱা হৈছে। তাতেই বিভিন্ন ইন্ধনৰ পৰিমাণ, সময় ইত্যাদিত গণিতেই ব্যৱহৃত হৈছে।

মানুহে শাক-পাচলি উৎপাদনৰ পৰা কিনালৈ, কিনি আনি বনোৱালৈ সকলোতে গণিতৰেই ব্যৱহাৰ কৰি আহিছে।

অসুবিধা ঃ গণিতে মানুহৰ জীৱন সহজ কৰি তুলিছে। ইয়াৰ মাজতো সামান্য অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। যেনে কেতিয়াবা কিছুমান গণিতৰ সমাধান মুখে মুখে উলিয়াব নোৱাৰি। বাণিজ্যিক ক্ষেত্ৰত গণিত আৰু মানুহৰ জীৱনত ব্যৱহৃত গণিতৰ মাজত পাৰ্থক্য থকা দেখা যায়। লোকৰ গণিতৰ প্ৰতি জ্ঞান নাথাকিবও পাৰে, সেয়েহে তেতিয়া এই ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হয়।

সামৰণি ঃ গণিতত মুঠ ১০টা অংক আছে। সেইকেইটা হ'ল— ০, ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯। পৃথিৱী কি গোটেই বিশ্বব্ৰহ্মাণ্ডখন গণিত অবিহনে অৰ্থহীন হৈ পৰিলহেতেন। প্ৰথমটো অংক ০ ৰ আৱিষ্কাৰক আৰ্যভট্টৰ পৰা আৰম্ভ কৰি ৰামানুজন, আইনষ্টাইনৰ দৰে মহান গণিতজ্ঞৰ মহান আৱিষ্কাৰেই সৃষ্টিৰ মূল স্বৰূপ। তেওঁলোকৰ মহান ত্যাগেই আমাৰ বাবে একো একোখন নতুন জগতৰ পৰিচয় দাঙি ধৰিছে। আমাৰ নৱ প্ৰজন্মই তেওঁলোকে দেখাই যোৱা বাট অতিক্ৰম কৰি দেশৰ উন্নতিত অৰিহণা যোগোৱাটো নিতান্তই প্ৰয়োজন।

ৰাষ্ট্ৰীয় গণিত দিৱস উপলক্ষে অসম গণিত শিক্ষায়তনৰ তেজপুৰ শাখাই আয়োজন কৰা ৰচনা প্ৰতিযোগিতাৰ 'খ' শাখাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত ডিম্পী কলিতা তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ কলা শাখাৰ ছাত্ৰী।

[Solution to the sum given in page 43

Since the product of b by b is a number which ends in b, b must be 1, 5, or 6. Since the product of ab by b is a number of three digits, b can not be 1. The result of the subtraction of h from e is e, hence h=0, and therefore if b=5 we have f even, and if b=6 we have f=5 Also the result of the subtraction of c from g is c, hence g=2c, and therefore, c can not be greater than 4 : from which it follows that b can not be 6. A few trials now show that the question arose from the division of 19, 775 by 35]

সাক্ষাৎকাৰ

ভাৰতীয় মুদ্ৰাৰ নতুন চিহ্ন নিৰ্মাতা উদয় কুমাৰৰ সৈতে এটি আছুতীয়া সাক্ষাৎকাৰ

(ভাৰতীয় টকা-চিহ্নৰ ধাৰণাৰ জন্মদাতা **উদয় কুমাৰ ধৰ্মলিংগম** ভাৰতবৰ্ষৰ এটি চিনাকি ব্যক্তিত্ব। তেওঁ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, ব'ম্বেৰ ইণ্ডাষ্ট্ৰিয়েল ডিজাইন চেণ্টাৰৰ পৰা ডিজাইনিঙৰ স্নাতকোত্তৰ ডিগ্ৰী লৈ সেই প্ৰতিষ্ঠানৰ পৰাই পি এইচ ডি ডিগ্ৰী লয়। সেই প্ৰতিষ্ঠানৰ পৰা ডিজাইনিঙত পি এইচ ডি লাভ কৰা তেঁৱেই প্ৰথমজন ব্যক্তি। বৰ্তমান তেওঁ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীত সহকাৰী অধ্যাপক হিচাপে কৰ্মৰত। অসাধাৰণ পাৰদৰ্শিতাৰে ল'ৰালি কালৰে পৰা তেওঁ অগণন বঁটা তথা সন্মান বুটলিবলৈ সক্ষম হৈছে। বিভিন্ন চিহ্নৰ নক্সা, বেটুপাতৰ ধাৰণা, প'ষ্টাৰ, বেনাৰ আদিৰ ক্ষেত্ৰত তেওঁ বহু অৱদান আগবঢ়াইছে।)

২০১৫ চনতে গণিত চ'ৰাই গ্ৰহণ কৰা এটি আছুতীয়া সাক্ষাৎকাৰত অধ্যাপকজনে তেওঁৰ কৰ্ম আৰু চিন্তাধাৰাৰ কিয়দংশ পাঠকৰ আগত দাঙি ধৰিছিল। ইংৰাজীত গ্ৰহণ কৰা মূল সাক্ষাৎকাৰটিৰ অসমীয়া অনুবাদ **হৃদয়ানন্দ শইকীয়াৰ**।

১) আপুনি বৰ্তমান আই আই টি গুৱাহাটী ডিজাইনিং বিভাগত যি গৱেষণাত ব্ৰতী আছে, স্বাভাৱিকতেই ইয়াত oculus rift ৰ দৰে শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ কৰা হয়। এই ক্ষেত্ৰত আপোনাৰ অভিজ্ঞতা আৰু আপোনাৰ মতে গৱেষণাৰ ক্ষেত্ৰত এইধৰণৰ কলা প্ৰযুক্তিৰ ব্যৱহাৰৰ প্ৰাসংগিকতা কেনেকুৱা ?

♦ মই কেৱল এজন ছাত্ৰকহে তেওঁৰ গে'ম ডিজাইনিঙৰ স্নাতকোত্তৰ প্ৰকল্পত এই প্ৰযুক্তি ব্যৱহাৰ কৰা দেখিছোঁ। নিজৰ ধাৰণা তথা প্ৰকল্পক পৰিচালনা আৰু সম্পাদন কৰিবলৈ শিক্ষাৰ্থীসকলে এইধৰণৰ নৱপ্ৰযুক্তি ব্যৱহাৰ কৰা দেখিলে সচাঁই ভাল লাগে আৰু আশা কৰোঁ অনাগত দিনত অধিক শিক্ষাৰ্থী একে দিশতে অগ্ৰসৰ হওক। বৰ্তমান সময়ত বিশ্বৰ প্ৰযুক্তি-বিদ্যাৰ বিকাশৰ স'তে খোজ মিলাই অগ্ৰসৰ হোৱাৰ লগতে এইসমূহ সঠিক ব্যৱহাৰৰ জৰিয়তে অধিক কাৰ্যক্ষম প্ৰকল্প সম্পন্ন কৰাটো খুবেই প্ৰয়োজনীয়।

২) আপুনি বৰ্তমানলৈকে আই আই টি গুৱাহাটীত বহুদিন কটালে। জন্মসূত্ৰে আপুনি ভাৰতবৰ্ষৰ এই অংশৰ বাসিন্দা নহয়। সংস্কৃতিৰ এই সলনিৰ স'তে আপুনি নিজকে কেনেদৰে অভিযোজন কৰিলে ? ই আপোনাৰ কামক কোনো প্ৰকাৰে ব্যাঘ্যাত জন্মাইছে নেকি ?

♦ ঠাই অথবা সংস্কৃতিৰ সলনিয়ে মোৰ কামত কেতিয়াও ব্যাঘাত জন্মোৱা নাই ; বৰং ই মোৰ চিন্তাশৈলী বিস্তৃত কৰি অনন্য মাত্ৰা প্ৰদান কৰিছে। বিবিধ কলাশৈলীয়ে তোমাৰ চিন্তাৰ প্ৰসাৰ আৰু মনোবৃত্তিৰ উৎকৰ্ষত যথেষ্ঠ অৰিহণা যোগায়। মোৰ মতে প্ৰকৃততে ইয়াৰ দ্বাৰা এজন ব্যক্তি ভিন্ন দিশত পাৰদৰ্শী হৈ উঠে।

৩) তেন্তে আহকচোন আমি ডিজাইনিঙৰ ক্ষেত্ৰখনৰ কথাকে আলোচনা কৰোঁ। ডিজাইনিঙৰ ক্ষেত্ৰখনৰ বিবিধ কেৰিয়াৰ সম্পৰ্কে অলপ জনাবচোন।

♦ ডিজাইন শব্দটো প্ৰকৃততে ব্যাপক অৰ্থত ব্যৱহাৰ হয়— কলা, স্থাপত্য, বিজ্ঞান, অভিযান্ত্ৰিকীকে ধৰি চিকিৎসা বিজ্ঞানলৈকে ইয়াৰ প্ৰচুৰ ব্যৱহাৰ। ডিজাইনিং প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলক মূলতঃ ঔদ্যোগিক ডিজাইন, জনসংযোগ, স্থাপত্য, ফেচন ডিজাইনিং আদি ক্ষেত্ৰসমূহত নিযুক্তি দিব পৰা যায়।

৪) ভাতৰবৰ্ষত বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলে অভিযান্ত্ৰিক, আইন অথবা চিকিৎসা সেৱাকে কেৰিয়াৰ হিচাপে প্ৰধানকৈ বাছি ল'ব বিচাৰে। কেৰিয়াৰ গঠনৰ ক্ষেত্ৰত ডিজাইনিঙৰ ক্ষেত্ৰখনে ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষিত কৰিব পাৰিব বুলি আপুনি ভাবেনে?

♦ ডিজাইনিঙৰ ক্ষেত্ৰখন খুবেই সম্ভাৱনাময়, বিশেষকৈ আমাৰ এনে এখন দেশত, য'ত ডিজাইনিঙৰ বহু সুযোগ আছে। যোৱা দশকবোৰৰ তুলনাত বৰ্তমান ডিজাইনিং যথেষ্ট আগুৱাই গ'ল। পূৰ্বৰ তুলনাত বৰ্তমান অধিক ডিজাইনিং প্ৰতিষ্ঠান, ফাৰ্ম আদি স্থাপন হোৱাৰ লগতে ডিজাইনিঙৰ লগত জড়িত উদ্যোগপতি, পেছাদাৰী ব্যক্তি আদিও বহু ওলাইছে, আৰু উদ্যোগসমূহত ডিজাইনিঙৰ ছাত্ৰ-ছাত্ৰীৰ নিযুক্তিৰ সংখ্যাও বৃদ্ধি পাইছে। ডিজাইনিঙৰ এই লেখডালৰ কেৱল উৰ্দ্ধ-মুখী গতিহে মই দেখা পাইছোঁ।

৫) শেহতীয়াকৈ ডিজাইনিঙৰ ক্ষেত্ৰত এনে কি উন্নতি হৈছে যিটো ভাৰতৰ আন প্ৰতিষ্ঠানসমূহেও আদৰি লোৱা উচিত?

♦ গৰিষ্ঠসংখ্যক ডিজাইনিং প্ৰতিষ্ঠান প্ৰায় সমানেই সম্ভাৱনাময়। কিন্তু বিশ্বৰ সৈতে তুলনা কৰিহে আমি বহু কৰিবলগীয়া আছে। যেনে বৰ্তমান কিছুমান বিশেষ ডিজাইনিং বিষয়বস্তুৰ সংযোগ, অত্যাধুনিক সুবিধা, দক্ষ ব্যক্তিৰ অধিক নিযুক্তি ইত্যাদি খুবেই প্ৰয়োজন। এইখিনি সম্ভৱ হ'বলৈ ডিজাইনিঙৰ প্ৰচাৰ আৰু প্ৰসাৰ হ'ব লাগিব।

৬) আপোনাৰ শৈশৱ সম্পৰ্কে কিছু কথা আমাক জনাবচোন। ডিজাইনিঙৰ ক্ষেত্ৰখনলৈ অহাত আপোনাক কিহে অনুপ্ৰেৰণা যোগালে? আপোনাৰ ঘৰখনত এটা ৰাজনৈতিক পৰিৱেশ আছে। আপোনাৰ দেউতা এজন বিধায়ক। আপোনাৰ ঘৰুৱা পৰিৱেশটো কেনে আছিল?

♦ ঘৰৰ ৰাজনৈতিক পৰিৱেশটোৰ সৈতে মোৰ উৎকৰ্ষ বা শিক্ষাৰ কোনো সম্পৰ্ক নাই, দেউতাই আমাৰ আগত কেতিয়াও সেইবোৰ আলোচনা কৰা নাছিল। তেখেতে তেখেতৰ পেছা আৰু পৰিয়াল পৃথকভাৱে ৰাখিছিল। আমাৰ কোনোটো ভাই-ভনীয়েই তেনে কাৰ্যক্ৰমত জড়িত নাছিল। আমি কি কৰিব বিচাৰো তাৰ সিদ্ধান্তৰ সম্পূৰ্ণ স্বাধীনতা আমাক দিয়া হৈছিল আৰু ই আমাক দায়িত্বশীল কৰি তুলিছিল। মই ভাবোঁ যে মোৰ প্ৰতি মা-দেউতাৰ শ্ৰেষ্ঠ অৱদানসমূহৰ এইটো এটা অন্যতম। মোৰ বিদ্যালয় 'লা কেটেলাইন'তেই মোৰ কলা আৰু ডিজাইনিঙৰ কেৰিয়াৰৰ ভেঁটি নিৰ্মাণ হৈছিল। মই মোৰ এই আগ্ৰহক অনুসৰণ কৰিছিলো আৰু স্নাতক ডিগ্ৰীৰ বাবে আন্না বিশ্ববিদ্যালয়ৰ 'School of Architecture and Planning'ত আৰু তাৰ পাছত স্নাতকোত্তৰ আৰু পি এইচ ডি ৰ বাবে আই আই টি বম্বেৰ Industrial Design Centreত ভৰ্তি হওঁ।

৭) শিক্ষাৰ্থীসকলে সাধাৰণতেই শিক্ষকৰ গাম্ভীৰ্যখিনিহে দেখে। আপুনি আই আই টি গুৱাহাটীত থকা সময়খিনিত হোৱা কোনো আমোদজনক মধুৰ মুহূৰ্তৰ বিষয়ে পাঠকক জনাবনে?

♦ হয়। এনে বহুত ঘটনা আছে। তাৰ এটা মই ব্যক্ত কৰিব বিচাৰিছোঁ। আনদিনাৰ দৰে এদিন ৰাতিপুৱা এটা ঐচ্ছিক বিষয়ৰ ক্লাচ ল'বলৈ গৈছিলোঁ। মই দেখিছিলোঁ, কোঠাটো ধুনীয়াকৈ সজাই থোৱা আছে। মই ঠিক কোঠাটোত সোমোৱাৰ লগে লগেই সকলোৱে সমবেত হৈ একে সুৰতে ক'বলৈ ধৰিলে- 'Happy Birthday to you sir', আৰু লগতে এটা জুতিলগা চকলেট কে'ক আৰু কিছুমান উপহাৰ। মই জানিছিলোঁ যে সেইদিনা মোৰ জন্মদিন, কিন্তু কেইটামান ফোনক'লৰ বাহিৰে সেই মুহূৰ্তলৈ আন বিশেষ একো হোৱা নাছিল। ই মোৰ বাবে সচাঁই বৰ মধুময় আশ্চৰ্যকৰ মুহূৰ্ত আছিল, আমি সকলোৱেই সময়খিনি খুব সুন্দৰভাৱে পাৰ কৰিছিলোঁ।

৮) **আপোনাৰ ভৱিষ্যত পৰিকল্পনা কি ?**

♦ ডিজাইনিং শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ, যুৱপ্ৰজন্মক তেওঁলোকৰ সময়বোৰ গঠনমূলক কামত নিজৰ লক্ষ্যত উপনীত হোৱাত ব্যৱহাৰ কৰিবলৈ উদগণি যোগোৱাটো হৈছে মোৰ পৰিকল্পনা। আৰু দ্বিতীয়তে, দেশৰ সমৃদ্ধি আৰু বিকাশত ডিজাইনিঙৰ জৰিয়তে অৰিহণা যোগোৱা।

৯) **শেষত, আপুনি ডিজাইন কৰা ভাৰতীয় টকাৰ প্ৰতীক চিহ্নটোৰ বিষয়ে অলপমান কওকচোন। ইমানবোৰ বিকল্পৰ পৰা এই চিহ্নটো আপোনাৰ মনলৈ কেনেকৈ আহিল ? আমি নিশ্চিত যে ইয়াৰ আঁৰত এটা আকৰ্ষণীয় ঘটনা আছে।**

♦ এই প্ৰতীকটো একে ৰাতিৰ ভিতৰত হোৱা নাছিল। এই ধাৰণাটোত উপনীত হ'বলৈ মোক দীৰ্ঘ সময়ৰ প্ৰয়োজন হৈছিল। মই কেইবাটাও নক্সা সাজিছিলোঁ আৰু আই আই টি ব'ম্বেৰ ঔদ্যোগিক ডিজাইন কেন্দ্ৰৰ মোৰ বন্ধুবৰ্গ আৰু অধ্যাপকসকলৰ মন্তব্য গ্ৰহণ কৰিছিলোঁ। তেওঁলোকৰ স'তে আলোচনাৰ অন্তত মই তাৰ মাজৰ পৰা চাৰিটা বিকল্প বাছি লৈছিলোঁ আৰু সেইকেইটাৰ মাজৰ পৰা শেষত চূড়ান্ত প্ৰতীকটো দাখিল কৰিছিলোঁ। এই প্ৰতীকটোৱে দেৱনাগিৰী 'ৰ' (₹) বৰ্ণচিহ্ন আৰু আংশিক ৰোমান 'R' (উলম্ব আঁকডাল আঁতৰাই) চিহ্নিত কৰে। ইয়াক হিন্দীৰ 'ৰুপীয়া' আৰু ইংৰাজীৰ 'ৰুপীজ' (Rupees) শব্দৰ পৰা আহৰণ কৰা হৈছে। এই দুয়োটাই ভাৰতীয় মুদ্ৰাক বুজায়। মই দুয়োটাৰে সংমিশ্ৰণ ঘটাই এটা বিশ্বজনীন প্ৰতীক-চিহ্ন নিৰ্মাণ কৰিছিলোঁ। চিহ্নটোৱে আন বহুতো কৰাৰ নিৰ্দেশিত কৰে। ই প্ৰতীকীভাৱে, উচ্চ শিখৰত ভাৰতীয় জাতীয় পতাকাখনৰ উৰন্ত অৱস্থাও বুজায়। ই গাণিতীয় "সমান" চিহ্নটোও দেখুৱায়, যিয়ে ভাৰতৰ সুস্থিৰ আৰু সুষম অৰ্থনৈতিক অৱস্থাক সূচায়।

১০) **আমাৰ পাঠকসকলৰ উদ্দেশ্যে আপুনি কিবা ক'বলৈ বিচাৰিব নেকি ?**

♦ মহাত্মা গান্ধীৰ এযাৰ বাণী — 'ভৱিষ্যত নিৰ্ভৰ কৰে তোমাৰ বৰ্তমানৰ কৰ্মতেই।'

গণিত চ'ৰাৰ সৌজন্যক্ৰমে গণিত বিকাশৰ পাঠকৰ বাবে পুণৰ্প্ৰকাশিত ঃ সম্পাদক, গণিত বিকাশ

This is a metamorphic style of art by Mexican surrealist painter Octavio Ocampo born 28 February, 1943 in Mexico. He is famous for evocative paintings in which detailed images are intricately woven together to create larger images- the optical illusion fading bank and stepping forward as we study the pieces, notice the details and finally recognise the large scale intention.

Source : Internet



আন্তৰ্জাতিক গণিত দিৱস, ২০২০ (সৰ্বত্ৰ গণিত)

বীৰব্ৰত দাস চৌধুৰী

পাতনি ঃ গণিত আমাৰ জনজীৱনৰ এক এৰাব নোৱাৰা বিষয়। দৈনন্দিন জীৱনৰ প্ৰতিটো খোজতে আমাৰ সকলো কাৰ্য, চিন্তা-চৰ্চাত গণিত-বিজ্ঞান-প্ৰযুক্তিৰ প্ৰায়োগিক দিশটোৰ সৌতে আমি নিৰ্ভৰশীল। আমাৰ সকলোৰে জীৱন যাত্ৰাত গণিত, বিজ্ঞান, প্ৰযুক্তি এৰাব নোৱাৰাকৈ সাঙোৰ খাই থকা নাই জানো? আৱহমান কালৰে পৰা চৰ্চিত হৈ থকা গণিত শাস্ত্ৰৰ অধ্যয়ন, গৱেষণাৰ উন্নতিমৰ্মে সাম্প্ৰতিক বিজ্ঞান, প্ৰযুক্তি, ব্যৱসায়-বাণিজ্যত গণিত শাস্ত্ৰৰ প্ৰয়োগ বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছে। বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্য, জীৱ সৃষ্টিৰ ৰহস্য, সৌৰজাগতিক, প্ৰাকৃতিক পৰিঘটনাৰ আঁৰত থকা বৈজ্ঞানিক তত্ত্বৰ উদ্‌ঘাটন গণিতৰ প্ৰয়োগ অবিহনে সম্ভৱ হ'ব জানো? সুকুমাৰ কলাৰ সাধক, কলা-কৃষ্টিৰ সেৱকসকলেও গণিত সম্পূৰ্ণৰূপে এৰাই চলিব নোৱাৰে। দৈনন্দিন জীৱনৰ লগতে শিক্ষাৰ বিভিন্ন অংগৰ সৈতে গণিতৰ সহসম্বন্ধ তথা বিভিন্ন বৃত্তিত গণিতৰ প্ৰায়োগিক দিশটোৰ বিষয়ে মোৰ বোধেৰে বুজন পৰিমাণৰ শিক্ষিত সমাজ অজ্ঞ নহয়। তথাপিও গণিত এৰাই চলাৰ মনোভাৱ, গণিতৰ প্ৰতি বিৰাগ, ভীতি ভাব। কিন্তু কিয়?? গণিত বিষয়টো আজিৰ দিনতো বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটি আতংকৰ বিষয়? মাজে সময়ে গণিতৰ কৰ্মশালা, প্ৰশিক্ষণ অনুষ্ঠানত ভাগ লোৱাৰ উদ্দেশ্যে বিদ্যালয়লৈ যাওঁ। ছাত্ৰ-ছাত্ৰীসকলক গণিত বিষয়টোৰ প্ৰতি ভীতিভাৱৰ কাৰণ সুধিলে উত্তৰ পোৱা যায় যে গণিত জটিল, গাণিতিক সমস্যাবোৰ সমাধান কৰিব নোৱাৰি, গাণিতিক চিহ্ন, বীজগণিত, জ্যামিতিৰ জটিলতা ইত্যাদি ইত্যাদি। কিন্তু জীৱনত গণিতৰ প্ৰয়োজন আছে নে নাই সোধা প্ৰশ্নৰ উত্তৰত সকলোৰেই ইয়াৰ প্ৰয়োজনীয়তাৰ সপক্ষেই মত পোষণ কৰে। বুজিবলৈ বাকী নাথাকে যে গণিতৰ বিমূৰ্ত ধাৰণা বিশ্লেষণ কৰিব নোৱাৰা নাইবা বিমূৰ্ত ধাৰণাক মূৰ্ত ৰূপত নিশিকোৱাটোৱেই এই সকল ছাত্ৰ-ছাত্ৰীৰ গণিত ভীতিৰ হয়তোবা এটা কাৰণ। এইসকল ছাত্ৰ-ছাত্ৰীৰ গণিতৰ বিমূৰ্ত সাঁজটোত আন্তনিৰ্হিত হৈ থকা সৌন্দৰ্য্য, উপভোগ কৰাৰ লগতে গণিতৰ প্ৰায়োগিক দিশটো অনুধাৱন কৰিব পৰা বোধৰ অভাৱ।

গণিতৰ পৰিৱৰ্তনৰ ধাৰা আৰু বিজ্ঞানৰ সকলো শাখা, প্ৰযুক্তিবিদ্যা আনকি বাণিজ্য, সমাজ বিজ্ঞান অধ্যয়ন-গৱেষণাত গণিত শাস্ত্ৰৰ ব্যৱহাৰিক দিশসমূহ উপলব্ধি কৰি সমগ্ৰ বিশ্বতেই পাঠ্যক্ৰমৰ সংস্কাৰ সাধন কৰা হৈছে। আমাৰ দেশতো শিক্ষানীতিত প্ৰাথমিক পৰ্যায়ৰ পৰা মাধ্যমিক স্তৰলৈকে গণিত শিক্ষা বাধ্যতামূলক কৰা হৈছে। চৰকাৰী-বেচৰকাৰী উদ্যোগত প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হৈছে। তথাপিও প্ৰশ্ন থাকি যায় গণিত বিষয়টোৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অনুৰাগ বৃদ্ধি হৈছে নে? সেয়েহে গণিতৰ ব্যৱহাৰিক মূল্য থকাৰ পিছতো গণিত জনপ্ৰিয়কৰণ আৱশ্যক নে? হয়, সাম্প্ৰতিক সময়ত গণিত জনপ্ৰিয়কৰণৰ বিষয়টো একেবাৰে নুই কৰিব নোৱাৰি। কিন্তু প্ৰশ্ন হ'ল বিভিন্ন মাধ্যমেৰে বৰ্তি থকা বিজ্ঞান জনপ্ৰিয়কৰণ আৰু গণিত জনপ্ৰিয়কৰণৰ পদ্ধতি, কাৰ্যসূচী, টাৰ্গেট গ্ৰুপ একেই হ'ব নে? অৰ্থাৎ ক'ব বিচাৰিছোঁ যে বিজ্ঞান জনপ্ৰিয়কৰণৰ

বিভিন্ন কাৰ্যসূচী, বিষয়বস্তু প্ৰয়োজন অনুসাৰে শিক্ষাৰ্থীৰ লগতে সমাজৰ সকলো শ্ৰেণীৰ ওচৰ চপাৰ দৰে গণিত জনপ্ৰিয় কৰিবলৈ 'টাৰ্গেট গ্ৰুপ' টো মোৰ বোধেৰে প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈ ছাত্ৰ-ছাত্ৰীৰ মাজতহে সীমাবদ্ধ থাকিব আৰু গণিত জনপ্ৰিয়কৰণৰ মূল কৰ্মী হ'ব লাগিব আমি গণিতৰ শিক্ষকসকল। যি হওক, কাৰণ আৰু কৰণীয় বিভিন্ন ধৰণৰ হ'ব পাৰে কিন্তু উপৰোক্ত সমস্যাটো এখন-দুখন দেশৰ সমস্যা নহয় সমগ্ৰ বিশ্বৰ সমস্যা আৰু গণিতজ্ঞ মহলো উদ্বিগ্ন। সেয়েহে ৰাষ্ট্ৰসংঘৰ অন্তৰ্গত ইউনেস্কোৰ অধীনত প্ৰস্তুত হৈছে এক নতুন কাৰ্যসূচী— আন্তৰ্জাতিক গণিত দিৱস। গণিতৰ সৌন্দৰ্য, বিষয়টোৰ গুৰুত্ব আৰু প্ৰতিগৰাকী মানুহৰ জীৱনত গণিতৰ ভূমিকা ইত্যাদিক ছাত্ৰ-ছাত্ৰীয়ে অনুধাৱন কৰিব পৰাকৈ মনোগ্ৰাহী ৰূপত বিষয়বস্তু আগবঢ়াই ছাত্ৰ-ছাত্ৰীৰ মাজত বিষয়টোৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ উদ্দেশ্য আগত ৰাখি আন্তৰ্জাতিক গাণিতিক সংঘই (International Mathematical Union) ২০১৯ চনত আন্তৰ্জাতিক গণিত দিৱস উদ্‌যাপন কৰাৰ এটি প্ৰস্তাৱ গ্ৰহণ কৰে আৰু ৰাষ্ট্ৰ সংঘৰ অংশ ইউনেস্কোলৈ প্ৰস্তাৱটো অনুমোদনৰ বাবে পঠায়। ২৬ নৱেম্বৰ, ২০১৯ ইং তাৰিখত পেৰিছত অনুষ্ঠিত ইউনেস্কোৰ ৪০ সংখ্যক সাধাৰণ অধিৱেশনৰ সভাত ইউনেস্কোই আন্তৰ্জাতিক সংঘৰ প্ৰস্তাৱক অনুমোদন দি মাৰ্চ মাহৰ ১৪ তাৰিখে আন্তৰ্জাতিক গণিত দিৱস হিচাপে ঘোষণা কৰে আৰু সেইমৰ্মে ২০২০ ইং চনৰ পৰাই এই দিৱস উদ্‌যাপিত হ'ব। উল্লেখনীয় যে আন্তৰ্জাতিক গণিতিক সংঘ (International Mathematical Union) আন্তৰ্জাতিক পৰ্যায়ত সকলোৰে সহযোগিতাত গণিতৰ প্ৰসাৰ আৰু প্ৰচাৰৰ হকে কাম কৰা আন্তৰ্জাতিক পৰ্যায়ৰ এটি বেচৰকাৰী সংগঠন।

১৪ মাৰ্চ তাৰিখৰ প্ৰাসংগিতা ঃ আন্তৰ্জাতিক গণিত দিৱস উদ্‌যাপন কৰাৰ তাৰিখটো ১৪ মাৰ্চ কিয় প্ৰস্তাৱ কৰা হ'ল আৰু অনুমোদন জনোৱা হ'ল সেয়া সঠিক কৈ ক'ব নোৱাৰিলেও তলত উল্লেখিত তথ্য দুটাৰ প্ৰাসংগিকতাক নুই কৰিব নোৱাৰি।

বিদ্যালয় পৰ্যায়ত গণিতৰ প্ৰাথমিক পাঠ পঢ়া সকলোৱে গণিত শাস্ত্ৰ আৰু বিজ্ঞানৰ বিভিন্ন শাখাত ব্যৱহাৰ হোৱা এটি বিশেষ চিহ্ন π(pi)ৰ বিষয়ে অৱগত। আমি জানো যে যি কোনো বৃত্তৰ পৰিধি আৰু ব্যাসৰ অনুপাত =৩.১৪১৫৯২৬৫৩... (non recurring non terminating decimal) আৰু ইয়াকেই Greek letter π(pi) চিহ্নৰে বুজোৱা হয়। আমেৰিকান formatত তাৰিখ লিখাত মাহৰ ক্ৰমেৰে আৰম্ভ কৰা হয়। ইং মাৰ্চ মাহৰ ১৪ তাৰিখ আমেৰিকাৰ formatত লিখা হয় ৩.১৪..... গণিত অনুৰাগী আৰু সংখ্যাক লৈ কচৰৎ কৰি ভাল পোৱা ব্যক্তি সকলে এই চিহ্নটোৰ সৈতে মাৰ্চ মাহৰ ১৪ তাৰিখৰ কিছু সাদৃশ্য বিচাৰি পোৱাত মাৰ্চ মাহৰ ১৪ তাৰিখে সেই চিহ্নটোৰ নামত দিৱস উদ্‌যাপন কৰে, দিৱসৰ নাম π(pi)দিৱস। আমেৰিকা, ইউৰোপৰ গণিতৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক সকলৰ মাজত ই এটি জনপ্ৰিয় অনুষ্ঠান। Larry Show নামৰ পদাৰ্থ বিজ্ঞানী এগৰাকীয়ে ১৯৮৮ চনত San Fransiscoত এই দিৱস উদ্‌যাপন আৰম্ভ কৰিছিল। π(pi) দিৱস হিচাপে বিভিন্ন আমোদজনক কাৰ্যসূচীৰে (π কেক, বিস্কুট, চালাদ, ইত্যাদি বনোৱা, খোৱা প্ৰতিযোগিতা, pi ৰ আৰ্হিত থিয় দিয়া, ৰাতিপুৱা ৩.১৪ মাইল খোজকঢ়া, প্ৰদৰ্শনী, pi গীত গোৱা, শৈক্ষিক কাৰ্যসূচী অনুষ্ঠিত কৰা) গণিত-বিজ্ঞান অনুৰাগী মহলত উদ্‌যাপিত হয়। প্ৰতি বছৰে মূল কাৰ্যসূচী (কেক কটা, pi গীত গোৱা, শোভাযাত্ৰাৰ আৰম্ভণি) শুভাৰম্ভ হোৱাৰ বিশেষ সময় হিচাপে দিনৰ ১ বাজি ৫৯ মিনিট, ২৬ ছেকেণ্ড টোক ধাৰ্য কৰা হয় (৩.৪১৫৯২৬....., ১৫৯২৬, সংখ্যাটো মন কৰক)। যিহেতু ২০১৫ৰ মাৰ্চ মাহৰ ১৪ তাৰিখ আমেৰিকান formatত লিখা হৈছিল ৩.১৪.১৫, (প্ৰথম চাৰি দশমিক স্থানলৈ লিখা piৰ মান ৩.১৪১৫), গতিকে সেই বছৰ পাই দিৱস উদ্‌যাপন শুভাৰম্ভ হোৱা বিশেষ সময় হিচাপে ৰাতিপুৱা/ৰাতি ৯ বাজি ২৬ মিঃ ৫৩ ছেকেণ্ডটোক ধাৰ্য কৰা হৈছিল। (৩.১৪১৫৯২৬৫৩..., ৯২৬৫৩ সংখ্যাটো মন কৰক)।

১৪ মাৰ্চ তাৰিখটোৰ আন এক গুৰুত্বপূৰ্ণ দিশটো হ'ল যে সেই দিনটো বিখ্যাত পদাৰ্থ বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ জন্মদিন। ১৮৭৯ ইং চনৰ ১৪ মাৰ্চ তাৰিখে জাৰ্মানীত এলবাৰ্ট আইনষ্টাইনে জন্ম গ্ৰহণ কৰে আৰু আমেৰিকাৰ নিউ জাৰ্চিৰ প্ৰিন্সটন চহৰত ১৯৫৫ ইং চনৰ ১৮ এপ্ৰিল তাৰিখে মৃত্যু বৰণ কৰে। সেয়েহে প্ৰিন্সটন চহৰত পাই দিৱস উদ্‌যাপনৰ সৈতে আন এটি দিশ জড়িত হৈ থাকে, সেয়া হ'ল এলবাৰ্ট আইনষ্টাইনৰ জন্মদিন উদ্‌যাপন।

গণিত দিৱসৰ লক্ষ্য ঃ ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়ন লক্ষ্য কাৰ্যসূচীৰ (Sustainable Development Goals of the ২০৩০ Agenda of the United Nations) অংশ হিচাপে সামগ্ৰিক ভাৱে গণিত আৰু গণিত শিক্ষা-গৱেষণা, প্ৰশিক্ষণৰ মানদণ্ড উন্নয়ন, মহিলাক গণিত শিক্ষাত উৎসাহ বঢ়োৱা, কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence) প্ৰযুক্তিক ত্বৰান্বিত কৰা, অৰ্থনৈতিক-সামাজিক-যোগাযোগ-স্বাস্থ্য ব্যৱস্থা-প্ৰকৃতিৰ বহনক্ষমতা, আদি বিভিন্ন সামাজিক দিশৰ উন্নয়নত গণিত শাস্ত্ৰৰ ভূমিকাৰ বিষয়ে সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰি আন্তৰ্জাতিক গণিত দিৱসৰ এলানি লক্ষ্য আৰু বছৰযোৱা বিশ্বব্যাপী কাৰ্যসূচী ধাৰ্য কৰা হৈছে— ২০২০ আৰম্ভণি, থিম- সৰ্বত্ৰ গণিত (Mathematics is Everywhere)। পৰিচালনাত থাকিব আন্তৰ্জাতিক গাণিতিক সংঘ। সমগ্ৰ বিশ্বৰ ১৬টা আগশাৰীৰ গণিতৰ অনুষ্ঠানে এই মহান উদ্যোগৰ প্ৰতি সহাৰি জনাই সহায়ৰ হাত আগবঢ়াইছে। আন্তৰ্জাতিক গাণিতিক সংঘই এক আৱেদনযোগে সমগ্ৰ বিশ্বৰ চুকে-কোনে থকা শিক্ষানুষ্ঠান-গৱেষণা প্ৰতিষ্ঠান, গণিত শিক্ষক, গণিত-বিজ্ঞান প্ৰচাৰ আৰু প্ৰসাৰৰ হকে কাম কৰি থকা স্বেচ্ছাসেৱী অনুষ্ঠানসমূহক আন্তৰ্জাতিক গণিত দিৱসৰ মূল লক্ষ্য আৰু উদ্দেশ্য সফল কৰিবলৈ কাৰ্যব্যৱস্থা গ্ৰহণ আৰু প্ৰচাৰৰ বাবে আহ্বান জনাইছে লগতে বিতংকৈ জনাৰ বাবে এটা ৱেবচাইট www.idm৩১৪.org মুকলি কৰিছে। আন্তৰ্জাতিক গণিত দিৱস উদ্‌যাপন এদিনীয়া কাৰ্যসূচী নহয়। IDM ৱেবছাইটৰ সূচনা মতে আন্তৰ্জাতিক গণিত দিৱস গণিত শিক্ষাক আকৰ্ষণীয় আৰু গণিতৰ প্ৰায়োগিক দিশটোৰ বিষয়ে সৰ্বসাধাৰণক সজাগ কৰাৰ এক দীঘলীয়া পৰিকল্পনা।

সামৰণি ঃ আমাৰ দেশৰ প্ৰসংগত, চৰকাৰ নাইবা ব্যৱস্থাৰ কথাবোৰ বৰ বিশেষ আলোচনা নকৰি গণিত অনুৰাগী, গণিত শিক্ষক সকলোৱে কাৰ্যসূচীটোৰ দৰ্শন হৃদয়ঙ্গম কৰি আন্তৰ্জাতিক গাণিতিক সংঘৰ প্ৰস্তাবিত কাৰ্যসূচীৰ আৰ্হি অনুসৰি আগবাঢ়ি যোৱাটোৱে সময়ৰ দাবী। আমাৰ দেশৰ আগশাৰীৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ অধ্যাপক, গণিতজ্ঞ, গৱেষক সকলে বিভিন্ন পৰ্যায়ৰ গণিত শিক্ষক সকলক দিহা পৰামৰ্শ আগবঢ়াওক। অসমত অসম গণিত শিক্ষায়তন আৰু Mathematics Teachers' Association of India (MTAI)ৰ যুটীয়া উদ্যোগৰ লগতে অসম গণিত শিক্ষায়তনৰ দুই তিনিটা শাখাৰ উদ্যোগত সমগ্ৰ বিশ্বৰ লগত একেদিনাই ১৪ মাৰ্চ, ২০২০ তাৰিখে আন্তৰ্জাতিক গণিত দিৱসৰ প্ৰথম বছৰৰ কাৰ্যসূচী অনুষ্ঠিত কৰাটো আমাৰ ৰাজ্যৰ বাবে এটি শুভ লক্ষণ।

শ্ৰীযুত বীৰব্ৰত দাস চৌধুৰী বৰ্তমান বঙাইগাঁও পলিটেকনিক প্ৰতিষ্ঠানত গণিত বিভাগৰ অধ্যাপক।

ANSWERS TO QUIZ CORNER

(1) Ada Lovelace. (2) Jacob Bernouli. (3) Hypatia (4) G.H. Hardy spoke this and he referred to Ramanujan here. (5) All is number. (6) Aryabhatta. (7) Kautuk Aru Kaitheli Angka, authored by Late Dandi Ram Dutta. (8) George Canter and the topic belongs to Set theory. (9) Rene Descartes. (10) Madhave of Sangam agrama. (11) G.H. Dardy. (12) Fermat's Numbers. (13) 96. (14) $x = 80$, $A + B = 19$. (15) $1 < c \leq {}^{3}/_{2}$

Mathematics Olympiad Class Room –

Problems of regional, national and international level of Mathematics Olympiad specific to certain mathematical concepts are discussed here. For this time, problems based on inradius have been taken up the discussion :

Inradius of a Triangle

Pankaj Agarwal

Property I : If ABC is a right-angled triangle, right-angled at B, the diameter of the circle inscribed in ΔABC equals AB+BC-AC.



Proof: Let I be the incentre of ΔABC and let the circle touch sides BC, CA and AB at D,E,F respectively.

Since IF = ID=r (radius of the circle) and

$\angle IFB=\angle FBD=\angle IDB=90^0$.

So, FIDB is a square of side 'r'.

If AB=c, BC=a and CA=b, then

AC=AE+EC

=AF+DC

=(AB-FB)+(BC-BD)

i.e., AC = AB+BC-2r

or 2r = AB+BC-AC

or 2r = c+a-b

Property 2 : If Δ is the area of triangle ABC whose semi-perimeter is 's' and in radius 'r', then Δ= rs.



Proof: Let D,E,F be respectively the points at which the incircle touches the sides BC,CA and AB of triangle ABC. If I is the in-centre of the triangle ABC with area Δ, then

Δ= Area of triangle AIB+area of triangle BIC + area of triangle CIA

$= \frac{1}{2}.r.BA + \frac{1}{2}.r.BC + \frac{1}{2}.r.CA$

$= r.\left(\frac{AB+BC+CA}{2}\right) = rs$

Solved Examples



(1) Let ABCD be a convex quadrilateral with $\angle DAB = \angle BDC = 90^0$. Let the incircles of triangles ABD and BCD touch BD at P and Q respectively. If AD=999. and PQ=200, then what is the sum of the radii of the incircles of triangles ABD and BDC? (Pre-RMO, 2014)

Solution :

We know,

$2r_1 = AB + AD - BD$

$= (r_1 + BP) + 999 - (BP + PQ + QD)$

$\Rightarrow r_1 = 999 - 200 - r_2$

$\Rightarrow r_1 + r_2 = 799$

(2) Prove that the inradius of a right-angled triangle with integer sides is an integer. (RMO, 1999)

Solution : If 'r' is the in-radius of triangle ABC, right-angled at B and AB=c, BC=a, CA=b, then $2r = c+a-b$

Since a, b, c are integers, we just need to prove that c+a-b is even i.e., we need to prove that out of a, b, c the two cases are not possible

Case (i) : Exactly one of a, b, c, is odd.

This is obviously not possible as $b^2=a^2+c^2$. If exactly one of them is odd, the other two must be even.

But sum and difference of any two even numbers is even. So, this case is not possible.

Case (ii) : All of a, b, c are odd.

This is again obviously not possible as $b^2=a^2+c^2$ and then sum of two odd numbers is always even.

Hence proved.

(3) Determine the side lengths of a right triangle if they are integers and the product of the leg's lengths equals three times the perimeter. (Romania, 1999)

<u>Solution</u> : Let the sides be a, b, c with $a^2+c^2=b^2$ and in-radius of the triangle be 'r'. Also, let the area of the triangle be Δ.

Now, $ac=3(a+b+c)$............(1)

$$\Rightarrow \frac{1}{2}ac = 3.\left(\frac{a+b+c}{2}\right)$$

$\Rightarrow \Delta=3s$

$\Rightarrow rs=3s.$

$\Rightarrow r=3$.............(2)

$\therefore$ $2r=a+c-b$ becomes

$6=a+c-b$.........(3)

$\Rightarrow (a+c)^2=(b+6)^2$

$\Rightarrow 2ac = 12b+36$

$\Rightarrow ac=18+6(a+c-6)$ (from eq^n (3))

$\Rightarrow ac-6(a+c)+36=18$

$\Rightarrow (a-6)(c-6)=18$ ....(4)

From eq^n (3), we know that $a>6$ and $c>6$ ($\because$ $a-b<o$ and $c-b<o$)

So, eq^n (4) gives

$a-6=1$, $c-6=18$

or $a-6=2$, $c-6=9$

or $a-6=3$, $c-6=6$

or $a-6=6$, $c-6=3$

or $a-6=9$, $c-6=2$

or $a-6=18$, $c-6=1$

i.e., (a, b, c,) = (7, 25, 24), (8, 17, 15), (9, 15, 12), (12, 15, 9), (15, 17, 8), (24, 25, 7)

(4) The inradius of a triangle is 1 unit. The sides of the triangle as well as the semi perimeter of the triangle are all integers. Find the sides of the triangle.

Solution : Let the sides of the triangle be a, b, c with semi-perimeter $s=\frac{a+b+c}{2}$ and areaΔ.

Now, $\Delta=rs=s$

$$\Rightarrow \sqrt{s(s-a)(s-b)(s-c)} = s$$

$\Rightarrow (s-a)(s-b)(s-c) = s=(s-a)+(s-b)+(s-c)$

Put $s-a=x$; $s-b=y$ and $s-c=z$

So, $xyz=x+y+z$ .....(1)

Without loss of generality we assome $x \geq y \geq z$.

So, eq^n (1) becomes

$xyz \leq x+x+x \Rightarrow yz \leq 3$

Case I : If yz=1, then y=z=1 and we get x=x+1+1 (from eq^n(1)) which is impossible.

Case II : If yz=2, then y=2, z=1 gives

2x = x+2+1 (from eq^n (1)) i.e., x=3

So, s-a=3, s-b=2, s-c=1 which gives s=(s-a)+(s-b)+(s-c)=6

Hence, a=3, b=4, c=5

Case II : If yz=3, then y=3, z=1 gives

3x = x+3+1 (from eq^n(1) i.e., x=2<y

which contradicts $x \geq y \geq z$.

So, the sides can only be 3, 4, 5.

(5) A circle of radius R is incribed into an actute triangle,. Three tangents to the circle split the triangle into three right triangles and a hexagon that has perimeter Q. Find the sum of diameters of circles inscribed into the three right triangles. (Tournament of Towns, Juniors, A-Level, 2006)

Solution :



From the figure,

Q=R+x+x+R+R+y+y+R+R+z+z+R

i.e. Q-6R=2(x+y+z).....(1)

If r_1, r_2, r_3 are the in radii of ΔBDI, ΔECF and Δ AHG respectively, then

$2r_1$ = BD+DI-BI

= (BJ-R)+(R+x)-(BJ-x) ($\because$ BC=BJ)

= 2x

i.e., r_1=x

Similarly, r_2=y and r_3=z

$\therefore 2r_1+2r_2+2r_3 = 2x+2y+2z$

$=Q-6R$

<u>Problems for Practice</u>

(1) In rectangle ABCD, AB=8 and BC=20. Let P be a point on AD such that $\angle BPC=90^0$. If r_1, r_2, r_3 are the radii of the incircles of triangles APB, BPC and CPD, what is the value of $r_1+r_2+r_3$? (Pre-RMO, 2015)

(2) In the triangle ABC, the incircle touches the sides BC, CA and AB respectively at D,E and F. If the radius of the incircle is 4 units and if BD, CE and AF are consecutive integers, find the sides of the triangle ABC. (RMO, 1994)

(3) What is the minimal area of a right-angled triangle whose inradius is 1 unit? (RMO, 2014)

(Hint : If $x > 0, y > 0,$ then $x + y \geq 2\sqrt{xy}$)

(4) In the figure, ABCD is a rectangle. Triangle PAB is isosceles. The radius of each of the smaller circles is 3cm and the radius of the bigger circle is 4 cm. Find the length and breadth of the rectangle. (Bhaskara Contest, Final Test, 2008)



(5) In the given figure, AB=6, BC=8, $\angle ABC=90^0$. There are 'K' congruent circles of radius 'r', each of which touches the side BC. Each circle excluding the first and last touches two circles. The first circle touches side AB while the last one touches side AC. If 'r' is an integer, then find all the possible values of K. Assume $K \geq 1.$

(Hint : Use the technique used in deriving property)



Answer Key

Q. No. (1) $r_1+r_2+r_3=8$

Q. No. (2) AB=14, BC=13, CA=15

Q. No. (3) Area $\geq 3+2\sqrt{2}$

Q. No. (4) Length = 24; breadth=9

Q. No. (5) K=1 or K=3

Mr. Pankaj Agarwal did his BE in Mechanical Engineering from Jorhat Engineering College, Assam. He started teaching mathematics in a coaching institute at Guwahati. Now, he is a senior faculty of Mathematics in a reputed coaching institute at Delhi.

Quiz Corner–

Quiz

1. *A lady mathematician is called the world's first computer programmer. She wrote the world's first machine algorithm for an early computing machine. What is her name?*

2. *The number e is a mathematical constant approximately equal to 2.71828. It was discovered while studying about compound interest. What is the name of the mathematician who discovered e?*

3. *Theon of Alexandria was a Greek scholar and mathematician who lived in Alexandria, Egypt. His daughter was also a famous mathematician. What is her name?*

4. *"I owe more to him than anyone else in the world with one exception, and my association with him is the one romantic incident of my life."*
   Who said this and who is the person referred to here?

5. *Pythagoras and his followers followed a motto in their philosophical pursuit. What is that motto?*

6. *Who was the first Indian mathematician who calculated the value of pi correct up to four places of decimal?*

7. *Prior to British period there was a type of mathematical system in Assam practised by a section of people called Kayasthas. Various documents scattered all over the state on their system were compiled and published in a book form. What is the name of the book and who authored it?*

8. *Who proposed Continuum Hypothesis and which area of mathematics does it belong to?*

9. *Who first coined the term imaginary number to* $i=\sqrt{-1}$*?*

10. *An Indian mathematician is credited to have contributed to calculus before Newton and Leibnitz. What is the name of the mathematician.*

11. "As long as people do mathematics, the work of Ramanujan will continue to be appreciated. Who said this?

12. What is the term used to express the numbers of the form $2^{2^n}+1$, n being non negative integer.

13. What is the number less than 100 with highest number of factors?

14. If $A=\sqrt{x+20}$ and $B=\sqrt{x+1}$ then find x for which x+20 and x+1 are perfect squares and also find A+B in that case.

15. Determine the possible values of 'c' so that the two lines x-y=2 and cx+y=3 interesect in the first quadrant.

(Compiled by Editorial Board, G.B.)



Shrikhande Graph : *Shrikhande graph named after Indian Mathematician Sharad Chandra Shankar Shrikhande (1917-2020) is a strongly regular graph with 16 vertices and 48 edges, with each vertex having degree 6.*

প্ৰাচীন ভাৰতৰ ঐশ্বৰ্য্যময় গণিতৰ ইতিহাসত এক অন্যতম সংযোজন 'বৈদিক গণিত'

ড° ৰঞ্জনা চৌধুৰী

জয় জয়তে মই আজি যিজন নমস্য ব্যক্তি প্ৰয়াত শান্তিৰাম দাসৰ স্মৃতিত এই 'শান্তিৰাম দাস স্মাৰক বক্তৃতা মালা'ৰ আয়োজন কৰা হৈছে তেখেতৰ পূণ্য স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। লগতে তেখেতৰ সুযোগ্যা কন্যা শ্ৰীমতী প্ৰীতি কাকতীয়ে পিতৃৰ স্মৃতিত নৱ প্ৰজন্মৰ কামত অহাকৈ অসম একাডেমী অব মেথেমেটিক্সৰ সহযোগত এনে এটি বক্তৃতামালাৰ আয়োজনৰ বাবে আগবাঢ়ি অহাৰ বাবে তেওঁলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে এই বক্তৃতামালাত আমাক অংশগ্ৰহণ কৰাৰ সুবিধা দিয়া বাবে অসম একাডেমী অফ মেথেমেটিক্সৰ কৰ্মকৰ্ত্তাসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। এই মুহূৰ্তত মোৰ মনত পৰিছে প্ৰায় তিনিকুৰি সাত বছৰৰ আগতেই আমি পঢ়িবলৈ লোৱা শান্তিৰাম দাস আৰু ৰাধাকান্ত দাস প্ৰণীত 'জ্যামিতি প্ৰৱেশ' নামৰ কিতাপখনলৈ— আৰু কিতাপখনৰ প্ৰতিটো পৃষ্ঠালৈ, যিখন কিতাপ অধ্যায়নৰ যোগেৰেই জীৱনত জ্যামিতি অতি আগ্ৰহৰ বিষয় হৈ পৰিছিল— লগতে অঙ্ক বিষয়টো বৰ আপোন আপোন লগা হৈছিল। ছাত্ৰ-ছাত্ৰীয়ে সহজে বুজিব পৰাকৈ অতি সহজ-সৰল গাণিতিক ভাষাত লিখা কিতাপখনৰ প্ৰতিটো উপপাদ্যৰ তলত কেইটামান অনুশীলন থাকে— যিকেইটা অনুশীলন ওপৰৰ উপপাদ্যটোৰ সহায়ত সমাধান কৰিব পৰা গৈছিল অতি সহজে। প্ৰত্যেকটো উপপাদ্যৰ তলত লিখা আছিল— 'অঃ ইঃ উঃ— বুজি নাপাই মোৰ পিতৃদেৱ - যিজনে মোক সৰুৰে পৰা গণিত শিক্ষাৰ নীতি শিক্ষা দিছিল, প্ৰয়াত ৰামেশ্বৰ কলিতাদেৱক ইয়াৰ অৰ্থটো সুধিছিলোঁ— তেওঁ বুজাই দিছিল যে ইয়াৰ অৰ্থ অত্ৰ ইদং উপপাদ্যম্'— ইয়াতেই উপপাদ্যটোৰ শেষ।" মোৰ পিতৃদেৱ গৌৰীপুৰৰ P.C. Institutionত গণিতৰ শিক্ষকৰূপে প্ৰথম চাকৰিত যোগদান কৰিছিল— সাহিত্য একাডেমী পুৰস্কাৰপ্ৰাপ্ত প্ৰসিদ্ধ গণিতবিদ্— সাহিত্যিক প্ৰয়াত ৰেৱতী মোহন দত্ত চৌধুৰীদেৱ তেখেতৰ ছাত্ৰ আছিল। জ্যামিতি প্ৰৱেশৰ অনুশীলনবিলাক কৰাত পিতৃদেৱে মোক যথেষ্ট উদ্‌গনি দিছিল। তাৰোপৰি অতি সহজ-সৰল ভাষাত লিখা বাবে সকলো ছাত্ৰ-ছাত্ৰীয়ে জ্যামিতি পঢ়িবলৈ ভাল পাইছিল। বৰ্তমানৰ বহুতো কিতাপত সহজ কথা এটাকে আওপকীয়াকৈ বুজোৱাৰ চেষ্টা কৰা চকুত পৰে— য'ত ছাত্ৰ-ছাত্ৰীসকল বিবুদ্ধিত পৰে।

জ্যামিতি প্ৰৱেশৰ লিখক যুগলৰ প্ৰথমগৰাকী কটন কলেজৰ (বৰ্তমান কটন বিশ্ববিদ্যালয়) গণিত শিক্ষক আৰু ৰাধা বাবু নামেৰেই পৰিচিত। আনগৰাকী কটন কলেজিয়েট স্কুলৰ গণিত শিক্ষক— শান্তি বাবু বুলি পৰিচিত। দুয়োগৰাকী নমস্য ব্যক্তি। পুনৰ দুয়োজন ব্যক্তিলৈ সেৱা জনাই আজিৰ বক্তৃতা-প্ৰাচীন ভাৰতৰ ঐশ্বৰ্য্যময় গণিতৰ ইতিহাসত এক অন্যতম সংযোজন 'বৈদিক গণিত' প্ৰদানৰ বাবে আগবাঢ়োঁ।

এইটো সৰ্বজনবিদিত যে বিশ্বৰ গণিতৰ ইতিহাসত প্ৰাচীন ভাৰতীয় গণিত এক পৰম বিস্ময়। বিশ্ববিখ্যাত গণিতজ্ঞ, ঐতিহাসিক G.P. Halstaed, B.B. Dutta, Laplace, C.N. Sri Nibas Ayenger আদিয়ে এক মুখে স্বীকাৰ কৰি আহিছে যে বিশ্বৰ গণিতৰ ক্ৰমবিকাশৰ পথত প্ৰাচীন ভাৰতীয় গণিতজ্ঞসকলৰ শূন্যৰ আবিষ্কাৰকে ধৰি গণনাৰ বাবে দশমিক পদ্ধতিৰ আৱিষ্কাৰ কৰা কাৰ্য্যই অতুলনীয় অৰিহণা যোগাইছে। Indian Historical Quaterly Vol. IIIত ঐতিহাসিক তথা গণিতজ্ঞ B.B. Dutta ই উল্লেখ কৰিছে যে প্ৰাচীন ভাৰতীয় গণিতজ্ঞসকলৰ আৱিষ্কাৰ এই দশমিক পদ্ধতিৰ— (যি পদ্ধতি আজিকোপতি সমগ্ৰ বিশ্বতে গণনাৰ বাবে প্ৰচলিত হৈ আহিছে) সৰলতা আৰু সৌন্দৰ্য্যই বিশ্বৰ সমূহ সভ্য জাতিকেই আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

পৰৱৰ্তী কালত প্ৰাচীন ভাৰতৰ ঐশ্বৰ্য্যময় গণিতৰ ইতিহাসত সংযোজন হৈছে গণিতৰ এক অন্যতম বিস্ময় ‘বৈদিক গণিত’ ওৰফে ‘যোল্লটা গাণিতিক সূত্ৰ” (Vedic Mathematics বা Sixteen simple Mathematical Formula from the Vedas)

গণিতৰ এই ঐশ্বৰ্য্যময় শাখাৰ আৱিষ্কাৰক হৈছে “জগৎগুৰু স্বামী শ্ৰী ভাৰতীকৃষ্ণ তীৰ্থজী মহাৰাজ” Jagad Gurn Swami Sri Bharati Krisna Tirthaji Maha Raja.

এই ‘বৈদিক গণিত’ অথবা ‘যোল্লটা সূত্ৰ’ৰ প্ৰয়োগেৰে গণিতৰ সকলো শাখাৰ - পাটীগণিত, বীজগণিত, জ্যামিতি, কলন গণিত আদি সকলো গাণিতিক সমাধান (Problem Solving) অতি সহজে, অতি কম সময়ৰ ভিতৰতে কেতিয়াবা মুখে মুখেও উলিয়াব পৰা যায়।

গণিতৰ এই শাখাটোৰ জন্মদাতা জগৎগুৰু স্বামী শ্ৰী ভাৰতীকৃষ্ণ তীৰ্থজী মহাৰাজে এটি অতি উচ্চ শিক্ষিত, ধাৰ্মিক পৰিয়ালত ১৮৮৪ চনত মাদ্ৰাজ (বৰ্তমান চেন্নাই)ত জন্ম গ্ৰহণ কৰে। তেওঁ সৰু কালত Venkatraman বুলি পৰিচিত আছিল। সৰু কালৰেপৰাই তেওঁ অতি তীক্ষ্ণ বুদ্ধিৰ পৰিচয় দিছিল। তেওঁৰ শৈক্ষিক জীৱনৰ প্ৰায় সকলোবিলাক পৰীক্ষাতে প্ৰথম স্থান অধিকাৰ কৰিছিল। তেওঁ মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পৰা ১৮৯৯ চনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। এই পৰীক্ষাত সংস্কৃত আৰু বাগ্মীতা (oratory) ত অতুলনীয় পাৰদৰ্শিতা দেখুওৱা বাবে মাদ্ৰাজৰ সংস্কৃত সন্থা (Sanskrit Association) এ ১৮৯৯ চনত তেওঁক ‘সৰস্বতী’ উপাধি প্ৰদান কৰে। তেওঁ B.A. পৰীক্ষাতো সৰ্বোচ্চ নম্বৰ লাভ কৰি American College of Sciences Rochester, New Yorkৰ বোম্বে স্থিত কেন্দ্ৰৰ পৰা M.A. পৰীক্ষা দিয়ে ১৯০৩ চনত আৰু ১৯০৪ চনত একেধাৰে সংস্কৃত, দৰ্শন, ইংৰাজী, গণিত, ইতিহাস আৰু বিজ্ঞান বিষয়ত সৰ্বতো কালৰ অভিলেখ ভঙ্গ কৰি শীৰ্ষস্থান অধিকাৰ কৰি উত্তীৰ্ণ হয়। (In 1904 at the age of just twenty he passed M.A. examination in further seven subjects simultaneously securing highest honour in all) (Vedic Maths by Guruji (Manjula Trivedy)

তেওঁ কিছুদিনৰ কাৰণে National College of Rajamundri ৰ অধ্যক্ষ ৰূপে কাম কৰিছিল যদিও তেওঁৰ জ্ঞান অৰ্জনৰ অতীব স্পৃহাই এই কৰ্মত থকাৰ পৰা বিৰত কৰে। আধ্যাত্মিক বিদ্যা অৰ্জনৰ কাৰণে তেওঁৰ অত্যন্ত হেঁপাহৰ বাবে শৃঙ্গেৰী মঠৰ Satchidanda Nrisimha Bharati Swami ৰ ওচৰত অধ্যয়ন আৰু তপ কৰিবলৈ লয়। ইয়াতে প্ৰায় ৮ বছৰ কাল তেওঁ বেদান্ত দৰ্শন আৰু ব্ৰহ্মা সাধনাত ব্ৰতী হৈ গভীৰ তপস্যাৰ অন্তত আধ্যাত্মিক শক্তি আহৰণ কৰে। ইয়াৰ ফলত তেওঁ ১৯১৯ চনৰ ৪ জুলাইৰ দিনা “স্বামী ভাৰতী কৃষ্ণ তীৰ্থ” উপাধি লাভ কৰিবলৈ সমৰ্থ হয়। তেওঁৰ জীৱনৰ প্ৰকৃত মাহাত্ম্যৰ এয়া আৰম্ভণি। ভাৰতবৰ্ষৰ তথা সমগ্ৰ বিশ্বতে তেওঁ আকাশলঙ্ঘী বৈজ্ঞানিক দৃষ্টিভংগীৰে, তীব্ৰ বাক্ পটুতাৰে আধ্যাত্মিকতা সম্বন্ধে বক্তৃতা প্ৰদান কৰি আলোড়নৰ সৃষ্টি কৰিবলৈ সমৰ্থ হয়। তেনে সময়তে গোবৰ্দ্ধন মঠ পুৰীৰ জগৎগুৰু শঙ্কৰাচাৰ্য্য শ্ৰীমধুসূদন তীৰ্থ এইজনা জগৎগুৰুৰ প্ৰতি আকৰ্ষিত হয় আৰু তেওঁৰ নিজৰ দেহা দুৰ্বল হৈ অহা বাবে তেওঁৰ আসনত প্ৰতিষ্ঠিত কৰে ১৯২৫ চনত। তেতিয়াৰে পৰা স্বামীজী “জগতগুৰু স্বামী শ্ৰী ভাৰতী কৃষ্ণ তীৰ্থ মহাৰাজ” (Jagadguru Swami Sri Bharati Krisna Tirtha Maharaja) নামে সৰ্বজন বিদিত হয়।

জগতগুৰুজনাই এই আসনত প্ৰতিষ্ঠিত হোৱাৰ পৰা তেওঁৰ সাধ্যানুসাৰে সনাতন ধৰ্ম, মানৱতাৰ ধৰ্ম, আধ্যাত্মিক ধ্যান ধাৰণাৰ প্ৰসাৰতাৰ বাবে আত্মনিয়োগ কৰে। তেওঁৰ চিন্তাধাৰা আছিল বহুমুখী, অসাধাৰণ।

তেওঁ ভাৰতৰ জ্ঞানৰ আকৰ গ্ৰন্থ বেদ, বেদাঙ্গ, উপবেদ আদি গভীৰভাৱে অধ্যয়ন কৰে। তেওঁৰ মতে আমাৰ চাৰিওখন বেদৰ ভিতৰত অথৰ্ববেদৰ বৈশিষ্টত ইঞ্জিনীয়াৰিং বিদ্যা, স্থাপত্য বিদ্যা, গাণিতিকতত্ব আদিৰ বিশেষভাৱে আলোচনা কৰা হৈছে। তেওঁ অথৰ্ববেদত পৰিশিষ্টত থকা গাণিতিক নানা তত্বৰ ওপৰত গৱেষণা কৰি আৰু নিজৰ মানসিক ক্ষিপ্ৰতা, অন্তৰ্নিহিত স্বকীয় অনুভৱ (intuition) আৰু তেওঁৰ বিশেষ বুদ্ধিমত্তা প্ৰয়োগ কৰি প্ৰায় আঠ বছৰ কাল শৃঙ্গেৰী অৰণ্যত তপস্যা কৰি নতুন যোল্লতা গাণিতিক সূত্ৰ আৱিষ্কাৰ কৰে। তেওঁ এই যোল্লটা সূত্ৰ আৰু ইয়াৰ প্ৰয়োগ সম্বলিত এটা Introductory volume লিখি উলিয়ায়— নাম দিয়ে— বৈদিক গণিত— যোল্লটা গাণিতিক সূত্ৰ।

স্বামীজীৰ মতে বেদত এই সূত্ৰসমূহৰ কোনো উল্লেখ নাই। এইয়া তেওঁৰ নিজৰ আৱিষ্কাৰ। তেওঁ 'বৈদিক' শব্দটো সকলো জ্ঞানৰ আকৰ বিশেষণ হিচাপে ব্যৱহাৰ কৰে।

[(স্বামীজীৰ শিষ্যা Manjula Trivedi এ Introductory remarks on the Book 'Vedic Mathematics' by Jagadguru ত লিখিছে''Reverend Guruji used to say that he had reconstructed the sixteen mathematical formulae from the Atharvaveda after assiduous research and tapos for about eight years in the forest surrounding Sringeri-these are not found in Aatharvaveda (IX)] সেয়েহে স্বামীজী বৈদিক 'গণিত' (Vedic Mathematics)ৰ আৱিষ্কাৰক বুলিয়েই সৰ্বজন বিদিত।

স্বামীজীয়ে তেওঁ আৱিষ্কাৰ কৰা যোল্লটা সূত্ৰৰ আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কে প্ৰত্যেকৰেই একোখনকৈ পাণ্ডুলিপি লিখিছিল। দুৰ্ভাগ্যবশতঃ এই পাণ্ডুলিপি কেইখন হেৰাল। কিন্তু অসামান্য স্মৃতি শক্তিৰে পুষ্ট স্বামীজী বিচলিত নহ'ল আৰু ১৯৫৭ চনত U.S.A. লৈ যোৱাৰ সময়ত তেওঁ যোল্লটা সূত্ৰ আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কে এখন পাণ্ডুলিপি পুনৰ লিখি উলিয়ায়। এই পাণ্ডুলিপিটো তেওঁ U.S.A.ত প্ৰকাশৰ বাবে এৰি থৈ আহে। কিন্তু ভাৰতলৈ অহাৰ পিছত তেওঁৰ স্বাস্থ্য পৰি অহাত সেই কামটো হৈ নুঠিল। ১৯৬০ চনত স্বামীজীৰ মহাসমাধি ঘটে। তেওঁৰ মৃত্যুৰ পিছত এই পাণ্ডুলিপিটো ভাৰতলৈ ওভোতাই অনা হয়। তেওঁৰ গুণমুগ্ধ V.S. Agarwala ই স্বামীজীৰ কেইগৰাকীমান গুণমুগ্ধৰ সহায়ত পৰিয়ালৰ অনুমতি সহ এই যোল্লটা সূত্ৰ আৰু ইয়াৰ প্ৰয়োগ আৰু অ'ত ত'ত সিচৰিত হৈ থকা নানা তত্বৰ সম্পাদনা কৰি গ্ৰন্থ আকাৰে লিখি উলিয়ায়। Motilal Banarsidass Publishers and Pvt. Ltd.ৰ সহায়ত এই গ্ৰন্থখন ১৯৬৫ চনত Vedic Mathematics by Jagadguru Swami Sri Bharati Krishna Tirthaji Maharaja গ্ৰন্থ খনিয়ে প্ৰকাশৰ মুখ দেখে। স্বামীজীয়ে তেওঁৰ আৱিষ্কৃত সূত্ৰ সমূহৰ প্ৰয়োগেৰে গণিতৰ নানা সমস্যা অতি সহজে সমাধান কৰি দেশৰ তথা বিশ্বৰ নানা ঠাইত আলোড়ন তুলিবলৈ সক্ষম হৈছিল।

আমাৰ গতানুগতিক নিয়মেৰে গণিতৰ সকলো শাখাৰ অঙ্কৰ সমাধান উলিয়াবলৈ অশেষ কষ্ট আৰু সীমাহীন সময়ৰ প্ৰয়োজন হয়। বৈদিক গণিতৰ প্ৰয়োগ কৰি সেই অঙ্ক সমূহ নিমিষতে সমাধান কৰিব পৰা যায়।

এইটো আমি সকলোৱে জানো যে আদিম মানৱ সমাজে নিজৰ ভাব-ধাৰা লিখিতভাৱে সংৰক্ষণ কৰিবলৈ শিকাৰ বহু বছৰ আগতেই গণিত শাস্ত্ৰৰ অন্যতম আৰু প্ৰধানতম দিশ গণনা প্ৰণালীক কেন্দ্ৰ কৰি গণিত শাস্ত্ৰৰ উদ্ভৱ হয়। কালক্ৰমত গণিত শাস্ত্ৰৰ চাৰিসীমা কেৱল সংখ্যা প্ৰণালী বা গণনা পদ্ধতিতে আৱদ্ধ নাথাকিল। পাটীগণিত, বীজগণিত, জ্যামিতি, জ্যোৰ্তিবিজ্ঞান গণিত ইত্যাদি গণিতৰ দিশ উন্মোচন হয়। কালক্ৰমত গণিত এটা বিষয় ৰূপে আমি আজি পাঠ্যক্ৰমত অন্তৰ্ভুক্ত বিষয় হিচাপে পাওঁ।

স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে মাধ্যমিক পৰ্য্যায়লৈ গণিত এটা বাধ্যতামূলক বিষয়। গণিত শিক্ষাৰ প্ৰাৰম্ভিক ভেটিটোৱেই যিহেতু সংখ্যাৰ যোগ-বিয়োগ, পূৰণ-হৰণ, বৰ্গ-বৰ্গমূল, ঘন-ঘনমূল আদিৰ ওপৰতেই প্ৰতিষ্ঠিত এই বিলাক গাণিতিক প্ৰক্ৰিয়া স্কুলীয়া পৰ্যায়ৰ গণিতৰ অন্যতম শাখা 'পাটীগণিত'ৰ অন্তৰ্গত। বিশেষকৈ সংখ্যাৰ যোগ-বিয়োগ পূৰণ-হৰণ এই

চাৰিওটা গাণিতিক প্ৰক্ৰিয়াৰ যাক ইংৰাজীত কোৱা হয় 'Mathematical operation' আৰু চমুকৈ কোৱা হয় 'BODMAS'

B for Bracket
O for of
D for division
M for multiplication
A for addition
S for subtraction

